**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-09 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

--------------------

১।	নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে ৰাজ্যত এতিয়ালৈ ৩ জন লোকে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২।	অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন।

৩।	ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ বাবে শিক্ষা বিভাগৰ ১৫ গৰাকী কৃতী শিক্ষকৰ নাম ঘোষণা।

৪।	অসমৰ অনাতাঁৰ সংবাদ জগতৰ অন্যতম বাটকটীয়া বিৰাজ দাসৰ দেহাৱসান। *আৰু*

৫।	ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কৰম পূজা পালন।

00000

নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব লাভৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে নতুন নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি আৱেদনৰ যোগ্যতাৰ সময়সীমা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰা হৈছে। এই আইনৰ অধীনত ভাৰতত আশ্ৰয় গ্ৰহণ কৰা পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশৰ ধৰ্মীয় সংখ্যালঘুৱে ভাৰতীয় নাগৰিকত্বৰ বাবে আৱেদন কৰিব পাৰিব। ইয়াৰ আগেয়ে নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰা লোকে ভাৰতীয় নাগৰিকত্বৰ বাবে আৱেদন কৰিব পাৰিছিল।

00000

নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে ৰাজ্যত এতিয়ালৈ ৩ জন লোকে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে। বিগত দুবছৰত অসমত ১২ জন লোকে ভাৰতীয় নাগৰিকত্বৰ বাবে আৱেদন কৰিছিল যদিও ইয়াৰে ৯ খন আৱেদন বিবেচনাধীন হৈ আছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ গুৱাহাটী পৌৰসভাৰ অন্তৰ্গত জালুকবাৰীৰ ৰামচাৰী আঞ্চলিক গাওঁ পঞ্চায়তত আয়োজিত ৰাজহুৱা সভাত এই মন্তব্য কৰে। মুখ্যমন্ত্ৰী ডং শৰ্মাই এই অনুষ্ঠানতে মহিলা উদ্যমিতা আঁচনিৰ অন্তৰ্গত মহিলা হিতাধিকাৰীক চেক প্ৰদান কৰে। আজাৰাৰ কাহিকুঁচি শ্যামভূমি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এই অনুষ্ঠানত আত্মসহায়ক গোটৰ অন্তৰ্গত ৭ হাজাৰ ৪৭৪ গৰাকী মহিলা হিতাধিকাৰীক এই চেকসমূহ প্ৰদান কৰা হয়। প্ৰাৰম্ভিকভাৱে এই চেকসমূহত হিতাধিকাৰীসকলক ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে বৰ্তমানৰ স্বনিৰ্ভৰশীল মহিলাসকলক সবল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। উদ্যমিতা আঁচনিৰ বহু লাখপতি বাইদেউৰ সৃষ্টি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

বি টি আৰ পৰিষদীয় নিৰ্বাচন সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ডং শৰ্মাই পূৰ্বতকৈ এইবাৰ বি টি চিত বিজেপিৰ ফলাফল উন্নত হ'ব বুলি আশা প্ৰকাশ কৰে। বি টি চিৰ কোনো ৰাজনৈতিক দলৰ সৈতে সংঘাতত লিপ্ত নোহোৱাকৈ বিজেপিয়ে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি তেওঁ কয়।

গুৱাহাটীত কৃত্ৰিম বান সন্দৰ্ভত সাংবাদিকৰ আগত তেওঁ কয়, যে মেঘালয়ৰ পৰা নামি অহা পানীৰ ফলত যোৰাবাট আৰু ইয়াৰ সমীপৱৰ্তী এলেকাসমূহত বানৰ সৃষ্টি হয়। এই সন্দৰ্ভত মেঘালয়ৰ সৈতে উচ্চতম ন্যায়ালয়ত

এটা গোচৰৰ শুনানি চলি আছে। অহা ১৭ ছেপ্তেম্বৰত এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

*-বাইট-*

*মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা*

০০০০০

কেন্দ্ৰীয় চৰকাৰে পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশৰ ধৰ্মীয় সংখ্যালঘু লোকসকলৰ বাবে ২০২৪ চনৰ ৩ ডিচেম্বৰ পৰ্যন্ত ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদনৰ যোগ্যতাৰ সময়সীমা বৃদ্ধি কৰিছে। এই সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন দল সংগঠনে প্ৰতিবাদী কাৰ্যসূচী হাতত লৈছে। সদৌ অসম ছাত্ৰ সন্থাই কাইলৈ ৰাজ্যৰ বিভিন্ন স্থানত এই সিদ্ধান্তৰ বিৰোধিতা কৰাৰ কাৰ্যসূচী লৈছে।

০০০০০

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰে আজি ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন কৰা হয়। ১৯৬৬ চনৰ এছিয়ান গেমছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত বিয়লি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত সৰুসজাই ক্ৰীড়া প্ৰকল্পক অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প হিচাপে নামকৰণ কৰা হৈছে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পদক বিজয়ী অসমৰ খেলুৱৈসকলক নিযুক্তি পত্ৰ আৰু আৰ্থিক পুৰস্কাৰ প্ৰদান কৰে। তদুপৰি ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা ঘোষণা আৰু ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হয়। খেল' ইণ্ডিয়া, ২০২৫ বৰ্ষৰ পদক বিজয়ীসকলক আৰ্থিক পুৰস্কাৰ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলক বীৰ চিলাৰায় বঁটাও প্ৰদান কৰা হয়। ৰাজ্যিক সেৰা আঁচনিৰ বঁটাসমূহো এই অনুষ্ঠানতে বিতৰণ কৰা হয়। ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে খেল মহাৰণ বিষয়ক গ্ৰন্থ উন্মোচন কৰা হয়।

ইপিনে, ক্ৰীড়াবিদগৰাকীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হয়। এই অনুসৰি দিৱসৰ মূল কাৰ্যসূচী - সামুহিক দৌৰ এইবাৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হৈ ভেটাপাৰা হকী ষ্টেডিয়াম পৰিভ্ৰমণ কৰি পুনৰ সৰুসজাইৰ মূল এথলেটিক ষ্টেডিয়ামত সামৰণি পৰে। গুৱাহাটীত আয়োজিত এই অনুষ্ঠানত অংশ লৈ অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাই এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

**বাইট**

ডিব্ৰুগড় আৰু তিনিচুকীয়াতো আজি অভিৰুচি ক্ৰীড়া দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে পুৱাৰ ভাগত সামুহিক দৌৰ আৰু বিভিন্ন খেল-ধেমালী প্ৰতিযোগিতা অনুষ্ঠিত হয়।

গোৱালপাৰাতো আজি অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হয়। গোৱালপাৰা ক্ৰীড়া সন্থাৰ উদ্যোগত আজি পুৱাৰ ভাগত সামুহিক দৌৰ কাৰ্যসূচী আৰু দিনৰ ভাগত খেল ধেমালি অনুষ্ঠিত হয়। বিশ্বনাথ জিলাৰ বিহালী সমষ্টিত বেদেতিত আজি অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হয়। এই উপলক্ষে বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। কামৰূপ জিলাৰ ৰঙিয়াত আজি অভিৰুচি ক্ৰীড়া দিৱস উপলক্ষে সামুহিক দৌৰ অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিধায়ক ভবেশ কলিতাৰ লগতে জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

মঙলদৈত আজি নৰ্থ-মঙলদৈ ক্লাবৰ উদ্যোগত অভিৰুচি ক্ৰীড়া দিৱস অনুষ্ঠিত কৰা হয়। এই উপলক্ষে বক্সিং খেলুৱৈ যমুনা বড়ো, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগ ক্ৰীড়াবিদ বিশাল ভৰদ্বাজ আৰু ৰাজ্যিক পৰ্যায়ৰ প্ৰাক্তন ফুটবল,

কাবাডী আৰু খো খো খেলুৱৈ তথা ক্ৰীড়া সংগঠক গণেশ দত্তক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে সমূহীয়া দৌৰ ফ্লেগ অফ কৰে।

ooooo

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ বাবে ১৫ গৰাকী কৃতী শিক্ষকৰ নাম ঘোষণা কৰিছে। অহা ৫ ছেপ্তেম্বৰত শিক্ষক দিৱসৰ কাৰ্যসূচীত এই শিক্ষকসকলক বঁটা প্ৰদান কৰা হ'ব।

ooooo

অসমৰ অনাতাঁৰ সংবাদ সেৱাৰ অন্যতম বাটকটীয়া বিৰাজ দাসৰ আজি দেহাৱসান ঘটিছে। বৰ্ষীয়ান সাংবাদিক গৰাকীয়ে আজি বিয়লি প্ৰায় ৩ বাজি ৫৫ মিনিটত গুৱাহাটীৰ নেমকেয়াৰ হস্পিতালত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ।

ভাৰতীয় তথ্য সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া, আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক তথা আন্তৰ্জাতিক পৰ্যায়ত আকাশবাণীৰ বিশেষ সংবাদদাতাৰ পদবীত কাৰ্যনিৰ্বাহ কৰা প্ৰথম অসমীয়া বিৰাজ দাসৰ জন্ম হৈছিল অবিভক্ত কামৰূপ জিলাৰ কমাৰকুছি গাঁৱত। নলবাৰী গৰ্ডন হাইস্কুলত স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰাৰ পাছত তেওঁ নলবাৰী কলেজ আৰু বি বৰুৱা কলেজত স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰে। ইয়াৰ পাছত তেওঁ বোম্বে কলেজ অৱ জাৰ্নালিজিমৰ পৰা সাংবাদিকতাৰ স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম সম্পূৰ্ণ কৰে। ১৯৬৩ চনৰ পৰা ১৯৬৬ চনলৈ দি আচাম ট্ৰিবিউন কাকতৰ ষ্টাফ ৰিপোৰ্টাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰা দাসে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬৬ ৰ পৰা ১৯৭২ চনলৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ প্ৰেছ ইনফৰমেছন ব্যুৰোত তথ্য সহায়ক আৰু সহকাৰী তথ্য বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৭৩ চনৰ পৰা ৭৬ চনলৈ তেওঁ আকাশবাণী ডিব্ৰুগড়ৰ সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭৯ৰ পৰা ১৯৮৪ চনলৈ তেওঁ আকাশবাণী গুৱাহাটীৰ সংবাদদাতা হিচাপে কৰ্মৰত আছিল। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ যোজনা আৰু পয়োভৰাৰ জ্যেষ্ঠ সংবাদদাতা হিচাপে প্ৰায় দুবছৰ কাৰ্যনিৰ্বাহ কৰা দাসে মন্ত্ৰালয়ৰ ক্ষেত্ৰ সম্প্ৰচাৰ সঞ্চালকালয়ৰ অধীনত মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাত আঞ্চলিক বিষয়া হিচাপেও কৰ্মত নিয়োজিত আছিল। পৰৱৰ্তী সময়ত তেওঁ প্ৰেছ ইনফৰমেছন ব্যুৰোৰ উপ প্ৰধান তথ্য বিষয়া হিচাপে নিয়োজিত হয়। উল্লেখযোগ্য যে শ্ৰীলংকাৰ কলম্বোত আকাশবাণীৰ বিশেষ সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰা বিৰাজ দাসে ৪খন ছাৰ্ক শীৰ্ষ সন্মিলনৰ লগতে মালদ্বীপৰ পৰাও বাতৰি যোগান ধৰিছিল। আকাশবাণী গুৱাহাটীৰ যুটীয়া সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ লোৱাৰ পাছতো তেওঁ কেবাবছৰো আকাশবাণী গুৱাহাটী আৰু দূৰদৰ্শনৰ অংশকালীন বাতৰি সম্পাদক হিচাপে কাম কৰিছিল। অৱসৰৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত অতিথি অধ্যাপক হিচাপে কাম কৰাৰ উপৰি কেইবাটাও ব্যক্তিগত গণমাধ্যম প্ৰশিক্ষণ প্ৰতিষ্ঠানত জ্যেষ্ঠ প্ৰশিক্ষক হিচাপেও কাম কৰিছিল। বিৰাজ দাসৰ বিয়োগত আকাশবাণী গুৱাহাটীৰ বিষয়া কৰ্মচাৰীসকলৰ লগতে ৰাজ্যখনৰ সাংবাদিকতাৰ ক্ষেত্ৰৰ সৈতে জড়িত বহু লোকে গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰয়াত দাসৰ প্ৰতি শ্ৰদ্ধা জনাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে এইদৰে কয়।

বাইট

ooooo

বি টি চি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলাই আছে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই বাক্সা জিলাৰ মঠনগুৰি সমষ্টিৰ বাগাপাৰাৰ এখন দলীয় সভাত অংশ লয়। তেওঁ সমষ্টিটোৰ ইউ পি পি এলৰ প্ৰাৰ্থী মাখন স্বৰ্গীয়াৰীৰ সমৰ্থনত প্ৰচাৰ চলায় আৰু দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক তথ্য আয়োগৰ সচিব অতুল কুমাৰ শৰ্মা আৰু ৰাজ্য চৰকাৰৰ বিত্ত

বিভাগৰ সচিব ক্ষিতীশ চন্দ্ৰ পেগু আজি তামুলপুৰত উপস্থিত হয়। নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে তেওঁলোকে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কৰম পূজা পালন কৰে। ডিব্ৰুগড় জিলাৰ প্ৰতিখন চাহ বাগিচাত কৰম পূজা অনুষ্ঠিত কৰা হয়। লাহোৱাল, মোহনবাৰী, ৰমাই, ঘোঁৰামৰা, লেকাই, ঠাকুৰথান আদিকে ধৰি প্ৰতিটো অঞ্চলত ধৰ্মীয় ৰীতি-নীতিৰে কৰম পূজা অনুষ্ঠিত কৰা হৈছে।

কাচাৰ জিলাৰ বিভিন্ন চাহ বাগিচা অঞ্চলতো এই পূজা পালন কৰা হয়। অসম প্ৰদেশ কুঁৰুখ ওঁৰাও সংঘৰ উদ্যোগত ডলু চাহ বাগিচাৰ মইনা নগৰত পৰম্পৰাগত এই পূজা পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰম পূজা উপলক্ষে দেশবাসীক ওলগ জনাইছে। এই উপলক্ষে সামাজিক মাধ্যযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে এই উৎসৱ ভাতৃ-ভগ্নীসকলৰ মাজৰ মৰম ভালপোৱা আৰু সদভাৱৰ প্ৰতীক। এই উৎসৱে প্ৰকৃতিৰ সংৰক্ষণৰ বাৰ্তা বহন কৰে বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বাৰ্তাত কয়, যে এই উৎসৱে ভাতৃ আৰু ভগ্নীৰ মাজৰ অটুত বান্ধোনক প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীয়ে এই পৱিত্ৰ উৎসৱে সকলোৰে জীৱনলৈ শান্তি-সমৃদ্ধি আৰু সুস্বাস্থ্যৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো চাহ জনগোষ্ঠীয় লোকসকলক কৰম পূজাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয়, যে কৰম পূজা হৈছে উৰ্বৰতা, সমৃদ্ধি আৰু সমন্বয়ৰ প্ৰতীক। উল্লেখযোগ্য যে, শস্যৰ উৎপাদন বৃদ্ধিৰ কামনাৰে ভাদ মাহৰ শুক্লা একাদশী তিথিত এই পূজা উদযাপন কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ছেপ্তেম্বৰত গোলঘাট জিলাৰ নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। নুমলীগড় শোধানাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে নিৰ্মাণ কৰা এই প্ৰকল্পটো উদ্বোধনৰ বাবে প্ৰায় সাজু কৰি তোলা হৈছে। এই প্ৰকল্পটোৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এছিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি জৈৱ ইথানল প্ৰকল্পৰ পৰিচালন সঞ্চালক ভাস্কৰ জ্যোতি ফুকনে আজি সংবাদমেলত উল্লেখ কৰে। ইয়াৰ লগতে তৰল কাৰ্বন ডাই অক্সাইড উৎপাদন কৰা হ'ব বুলি তেওঁ কয়। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰকল্প উদ্বোধন কৰাৰ লগতে নুমলীগড় শোধানাগাৰত নিৰ্মাণ হ'ব লগা প'লিপ্ৰ'পিলিন ইউনিটৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০

সমাপ্ত